## Assamese Department, Nonoi College.
### Teacher's Day Celebration & Freshman Social /5th September, 2019

**নৈনৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগত**
***শিক্ষক দিৱস উদ্ যাপন আৰু নৱাগত আদৰণি সভা***
**৫ চেপ্তেম্বৰ, ২০১৯**

নৈনৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অসমীয়া সাহিত্য চ'ৰাৰ উদ্যোগত ইংৰাজী ৫ চেপ্তেম্বৰ, ২০১৯ তাৰিখে দিনযোৰা কাৰ্যসূচীৰে উলহ-মালহেৰে সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্মদিন উপলক্ষে শিক্ষক দিৱস আৰু ২০১৯ বৰ্ষৰ নৱাগত আদৰণি সভাখন অনুষ্ঠিত হৈ যায়। সভাত বিশিষ্ট অতিথি ৰূপে অংশগ্ৰহণ কৰি মহাবিদ্যালয়খনৰ ইতিহাস বিভাগৰ মুৰব্বী অধ্যাপিকা দেৱযানী বৰাই কয় যে ৰাধাকৃষ্ণণৰ জন্মদিনটি নৈনৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগে প্ৰতি বছৰে শিক্ষক দিৱস উদ্ যাপন কৰি অহা লগতে সাহিত্য-সংস্কৃতিৰে উজ্বল বিভাগটিয়ে নৱাগত ছাত্ৰ-ছাত্ৰীসকলকো আনুষ্ঠানিক ভাবে আদৰণি জনায় আহিছে । তদুপৰি নৈনৈ মহাবিদ্যালয়ৰ লগতে বৃহত্তৰ নৈনৈ অঞ্চলৰ সাংস্কৃতিক দিশৰ অগ্ৰগতিতো বিভাগটিৰ অৱদান অনস্বীকাৰ্য । গতিকে সেই আদৰ্শৰে নৱাগত ছাত্ৰ-ছাত্ৰীসকলক আগুৱান হৈ নৈনৈ মহাবিদ্যালয়ৰ নাম উজ্বল কৰিবলৈ তেখেতে সাদৰ আহ্বান জনায় । অনুষ্ঠানটি সঞ্চালনা কৰি মহাবিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ৰীতা শৰ্মাই নৱাগত ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনাই সভাত উপস্থিত থকা **নগাঁও আৰ.ডি. মটৰচ্** ৰ **প্ৰতিনিধিবৰ্গ, প্ৰতিদিন টাইম নিউজ চ্যানেল** নগাঁৱৰ সাংবাদিক তথা 'অনুশীলন' প্ৰাচীৰ পত্ৰিকাৰ উন্মোচক **বিৰেণ বৰা, নগাঁও জিলা পুথি ভঁৰালৰ সহকাৰী বিষয়া ৰুমী শইকীয়া**ই অসমীয়া বিভাগলৈ **দান স্বৰূপে আগবঢ়োৱা গ্ৰন্থৰ** বাবে কৃতজ্ঞতা জ্ঞাপন কৰে । ড০ বসন্ত বৰাই আঁত ধৰা অনুষ্ঠানটিত পুৱা ভাগত ছহিদ তৰ্পণ কৰে বিভাগৰ অধ্যাপিকা ৰুণু দেৱীয়ে । এটি আদৰণী সংগীতেৰে শুভাৰম্ভ হোৱা সভাত মেৰীৰাণী দেৱী, চফিয়া জাহান, কবিতা দেৱী কুশ্ৰে, সাগৰ চুবেদী আদি অধ্যাপক-অধ্যাপিকা সকলৰ লগতে মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভা, ছাত্ৰ-ছাত্ৰীসকল আৰু কৰ্মচাৰীসকল উপস্থিত থাকি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে । অসমীয়া বিভাগৰ শিক্ষক দিৱস আৰু নৱাগত আদৰণি সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সাহিত্য চ'ৰাৰ সম্পাদিকা জুলী বৰাই আৰু শলাগ জ্ঞাপন কৰে উৎপলা বৰাই ।

## Assamese Department, Nonoi College.

### Teacher's Day Celebration & Freshman Social /5th September, 2019

## Photographs:



**Event of Freshman Social**



**Welcome Song Presented by Students**